NEWZ NOW

সংখ্যা ১১ | বুধবাৰ, ৪ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

অনুসন্ধান

২০,৭৩৬ কোটি টকাৰ হিচাপ নাই অসম চৰকাৰৰ! ৬,৫৪৫টা ব্যৱহাৰ প্ৰমাণপত্ৰক লৈ CAGৰ কঠোৰ প্ৰশ্ন

CAGৰ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ প্ৰতিবেদন অনুসৰি, ৩১ মাৰ্চ ২০২৫লৈ অসম চৰকাৰৰ ৬,৫৪৫টা ব্যৱহাৰ প্ৰমাণপত্ৰৰ বিপৰীতে ২০,৭৩৬.০৯ কোটি টকাৰ হিচাপ বাকী আছিল। ইয়াৰ উপৰি ৩৯টা বিভাগৰ ৭৫৩.৬১ কোটি টকাৰ অগ্ৰিম ধনৰ হিচাপ, ৭৫টা চৰকাৰী সংস্থাৰ ৪৯৪টা বাৰ্ষিক হিচাপ আৰু ৪৪টা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ ২৪০টা হিচাপ দাখিল হোৱা নাছিল। CAGৰ তথ্যই ৰাজ্যৰ বিত্তীয় স্বচ্ছতা আৰু জবাবদিহিতাক লৈ গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে।



NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৩৪

গুৱাহাটী, ৪ নৱেম্বৰঃ অসম চৰকাৰৰ ৰাজহুৱা ধনৰ ব্যৱহাৰ আৰু হিচাপ-নিকাচক লৈ গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাগণনা পৰীক্ষক (CAG)-এ। অসম চৰকাৰৰ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ ৰাজ্যিক বিত্তীয় হিচাপ পৰীক্ষা প্ৰতিবেদনত পোহৰলৈ আহিছে যে ৩১ মাৰ্চ, ২০২৫ তাৰিখলৈ মুঠ ৬,৫৪৫টা ব্যৱহাৰ প্ৰমাণপত্ৰ (Utilisation Certificate) দাখিল হোৱা নাছিল। এই প্ৰমাণপত্ৰসমূহৰ সৈতে জড়িত ধনৰ পৰিমাণ হৈছে ২০,৭৩৬.০৯ কোটি টকা।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/653

আন্তঃৰাষ্ট্ৰীয়

আমেৰিকাৰ মধ্যকালীন নিৰ্বাচনত ট্ৰাম্পলৈ মোক্ষম আঘাত! ছিনেটৰ নিয়ন্ত্ৰণ ডেম'ক্ৰেটিক পাৰ্টিৰ হাতলৈ



পঢ়ক: https://newznow.in/news/649

অসম

শিৱসাগৰত আৰক্ষীৰ এনকাউণ্টাৰত ঘাতক ঘনকান্ত গগৈৰ মৃত্যু



পঢ়ক: https://newznow.in/news/640

দেশ

দুটাতকৈ অধিক সন্তানৰ বাবে শাস্তিমূলক আইন অপ্ৰাসংগিক! দুটা সন্তানৰ নীতি পুনৰ বিবেচনাৰ পোষকতা উচ্চতম ন্যায়ালয়ৰ



পঢ়ক: https://newznow.in/news/679

অসম

'ন্যায় পোৱা যেন অনুভৱ হৈছে', ঘনকান্ত গগৈৰ মৃত্যুত ভৰালী পৰিয়ালৰ স্বস্তি



পঢ়ক: https://newznow.in/news/683

আন্তঃৰাষ্ট্ৰীয়

ট্ৰাম্পৰ দলৰ নিৰ্বাচনী বিপৰ্যয়ক লৈ ইৰানৰ প্ৰতিক্ৰিয়া, 'যুদ্ধক নাকচ কৰিছে আমেৰিকাৰ জনতাই'

NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩৭



৪ নৱেম্বৰ: আমেৰিকাৰ মধ্যকালীন নিৰ্বাচনত ৰিপাব্লিকান দলৰ শোচনীয় প্ৰদৰ্শনক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ইৰানে। ইৰানৰ সংসদৰ অধ্যক্ষ মহম্মদ বাঘেৰ গালিবাফে দাবী কৰিছে যে আমেৰিকাৰ জনতাই যুদ্ধক নাকচ কৰিছে। জীৱন-যাপনৰ ব্যয় বৃদ্ধি আৰু যুদ্ধৰ পৰিস্থিতিৰ মাজতে ভোটাৰে নিজৰ মত প্ৰকাশ কৰা বুলি তেওঁ মন্তব্য কৰে।

গালিবাফে কয় যে আমেৰিকাৰ চৰকাৰে নিজৰ নাগৰিকৰ ইচ্ছাৰ বিৰুদ্ধে যোৱা উচিত নহয়। তেওঁৰ মতে, নিৰ্বাচনৰ ফলাফলে যুদ্ধ আৰু ক্ৰমবৰ্ধমান জীৱন-যাপনৰ ব্যয়ক লৈ আমেৰিকাৰ জনতাৰ অসন্তুষ্টি প্ৰতিফলিত কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/666

অসম

ডিব্ৰুগড়ৰ AMCHত হ'ব ঘনকান্ত গগৈৰ মৰণোত্তৰ পৰীক্ষা, শিৱসাগৰ অসামৰিক চিকিৎসালয়ত প্ৰয়োজনীয় সুবিধাৰ অভাৱ

NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২৬



ৱাহাটীৰ বিলাস ইন হোটেলৰ পাঁচজন লোকৰ হত্যাকাণ্ডৰ মূল অভিযুক্ত ঘনকান্ত গগৈৰ মৰণোত্তৰ পৰীক্ষা ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় (AMCH)ত সম্পন্ন কৰা হ'ব। প্ৰথমে শিৱসাগৰ অসামৰিক চিকিৎসালয়ত এই পৰীক্ষা কৰাৰ কথা আছিল যদিও তাত প্ৰয়োজনীয় সুবিধা আৰু ফৰেনছিক বিশেষজ্ঞ নথকাৰ বাবে স্থান সলনি কৰা হৈছে।

মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ বাবে AMCHত তিনিজনীয়া চিকিৎসকৰ এটা ব'ৰ্ড গঠন কৰা হৈছে। পৰীক্ষা আৰু ইয়াৰ ফলাফল সম্পৰ্কীয় অধিক তথ্য এতিয়াও প্ৰকাশ কৰা হোৱা নাই।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/692

দেশ

'পুনৰ SIR কৰক, বাবৰ-ঔৰংজেৱৰ সকলো নাম কৰ্তন কৰক' - মন্তব্য মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ

NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২০



১ নৱেম্বৰ: বিশেষ সংশোধন (SIR)ক লৈ পুনৰ সৰৱ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। কংগ্ৰেছ নেতা ৰাহুল গান্ধীক লক্ষ্য কৰি তেওঁ কয়, SIRৰ জৰিয়তে ভোটাৰ তালিকাৰ পৰা অনুপ্ৰৱেশকাৰীৰ নাম কৰ্তন কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/691

দেশ

'জ্ঞানেশ কুমাৰ থাকিলে ট্ৰাম্পৰ পৰাজয় নহ'লহেঁতেন!' আমেৰিকাৰ নিৰ্বাচনক লৈ অভিজিৎ দীপকেৰ কটাক্ষ

NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০৫



৪ নৱেম্বৰঃ আমেৰিকাৰ Midtermত ড'নাল্ড ট্ৰাম্পৰ Republican Partyয়ে House আৰু Senate - দুয়োখন সদনতে নিয়ন্ত্ৰণ হেৰুওৱাৰ পিছতে ভাৰততো ৰাজনৈতিক প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/658

অসম

২৭ তাৰিখৰ পৰা যমুনাৰ সম্পূর্ণ বেদখল উচ্ছেদৰ সিদ্ধান্ত, পট্টা থকা সকলক ক্ষতিপূৰণ দি বেদখল মুক্ত কৰা হ'ব - অখিল গগৈ

NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, আবেলি ৫:৪৯



শিৱসাগৰ, ৪ নৱেম্বৰ, ২০২৬:

শিৱসাগৰৰ ঐতিহ্যমণ্ডিত ৰজাদিনীয়া যমুনাক বেদখলমুক্ত কৰাৰ বাবে গুৰুত্বপূর্ণ সিদ্ধান্ত গ্রহণ কৰিছে জিলা প্রশাসনে। অহা ২৭ নৱেম্বৰৰ পৰা যমুনাৰ বেদখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলোৱা হ'ব। আনহাতে, যমুনাৰ ভূমি চৰকাৰীভাৱে আবণ্টন লাভ কৰা লোকসকলৰ নির্মাণৰ বাবে ক্ষতিপূৰণ প্রদানৰ উদ্দেশ্যে ১.৬ কোটি টকাৰ প্রস্তাৱ অসম চৰকাৰলৈ প্রেৰণ কৰা হৈছে বুলি জানিবলৈ দিছে বিধায়ক অখিল গগৈয়ে ।

বুধবাৰে শিৱসাগৰ জিলা আয়ুক্তৰ কার্যালয়ত যমুনাৰ সংৰক্ষণ আৰু পুনৰুদ্ধাৰক লৈ এখন গুৰুত্বপূর্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈ, জিলা আয়ুক্ত, বিভিন্ন চৰকাৰী বিভাগৰ উচ্চপদস্থ বিষয়া, সদৌ তাই আহোম ছাত্র সন্থাৰ (আটাছু) প্রতিনিধি আৰু যমুনাৰ ভূমি বেদখলৰ অভিযোগত অভিযুক্ত একাংশ লোক উপস্থিত থাকে।

বৈঠকত যমুনাৰ ভূমি বেদখলমুক্ত কৰাৰ লগতে ঐতিহাসিক জলাশয়টোৰ সংৰক্ষণ আৰু সৌন্দর্যবর্ধনৰ কাম আগবঢ়াই নিয়াৰ সন্দর্ভত আলোচনা কৰা হয়।

বৈঠকত গ্রহণ কৰা সিদ্ধান্ত অনুসৰি, অহা ২৭ নৱেম্বৰৰ পৰা যমুনাৰ বেদখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলাব জিলা প্রশাসনে। যমুনাৰ ভূমি সম্পূর্ণৰূপে বেদখলমুক্ত কৰাৰ লক্ষ্যৰে এই অভিযান আৰম্ভ কৰা হ'ব।

উল্লেখ্য যে, ঐতিহাসিক যমুনাৰ ভূমি বেদখলমুক্ত কৰাৰ দাবীত বিগত কেইবাদিনো ধৰি প্রতিবাদ অব্যাহত ৰাখিছিল আটাছুৱে। সংগঠনটোৱে যমুনাৰ পূর্বৰ সীমা সুৰক্ষিত কৰি প্রতিটো বেদখল উচ্ছেদ কৰাৰ দাবী জনাই আহিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/726

অসম

ৰজাদিনীয়া যমুনাৰ ভূমিত PWDৰ বেদখলৰ অভিযোগ, ৬ নৱেম্বৰত শিৱসাগৰ বন্ধৰ আহ্বান আটাছুৰ

NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৭



শিৱসাগৰ, ৪ নৱেম্বৰ, ২০২৬:

শিৱসাগৰৰ ঐতিহ্যমণ্ডিত ৰজাদিনীয়া যমুনাৰ সংৰক্ষিত ভূমি বেদখলৰ অভিযোগক লৈ নতুনকৈ বিতর্কৰ সৃষ্টি হৈছে। এইবাৰ শিৱসাগৰ লোক নির্মাণ বিভাগৰ বিৰুদ্ধে যমুনাৰ ভূমি বেদখল কৰাৰ অভিযোগ উত্থাপন কৰিছে সদৌ তাই আহোম ছাত্র সন্থাই (আটাছু)।

আটাছুৰ অভিযোগ অনুসৰি, যমুনাৰ সংৰক্ষিত ভূমিত লোক নির্মাণ বিভাগৰ কর্মচাৰীৰ এটা পৰিত্যক্ত আৱাসগৃহ আছে। যমুনাৰ বেদখল উচ্ছেদৰ দাবীত আন্দোলন চলি থকাৰ সময়তে চৰকাৰী বিভাগৰ বিৰুদ্ধে উত্থাপিত এই অভিযোগে নতুন প্রতিক্রিয়াৰ সৃষ্টি কৰিছে।

যমুনাৰ ভূমি বেদখলমুক্ত কৰাৰ দাবীত আটাছুৱে ইতিমধ্যে প্রতিবাদ অব্যাহত ৰাখিছে। দাবী পূৰণৰ বাবে সংগঠনটোৱে ৬ নৱেম্বৰত শিৱসাগৰ বন্ধৰ আহ্বান জনাইছে। বন্ধৰ জৰিয়তে আন্দোলন অধিক তীব্রতৰ কৰাৰ সিদ্ধান্ত লৈছে সংগঠনটোৱে।

যমুনাৰ সংৰক্ষিত ভূমিত চৰকাৰী বিভাগৰ আৱাসগৃহ থকাৰ অভিযোগ উত্থাপন হোৱাৰ পাছত বিষয়টোক লৈ সৰৱ হৈ পৰিছে আটাছু। সংগঠনটোৰ দাবী, যমুনাৰ সৌন্দর্যবর্ধন তেতিয়াহে সম্ভৱ হ'ব, যেতিয়া সমগ্র অঞ্চলটো সম্পূর্ণৰূপে বেদখলমুক্ত কৰা হ'ব।

যমুনাৰ প্রতিটো বেদখল উচ্ছেদ কৰি ইয়াৰ ঐতিহ্য আৰু সৌন্দর্য ঘূৰাই অনাৰ দাবী জনাইছে আটাছুৱে।

সম্পূর্ণ খবৰ:
https://newznow.in/news/704

অসম

ডিমৰীয়াৰ কৃষকক ৮৩টা তৈল খেজুৰৰ পুলি যোগান পীযুষ হাজৰীকাৰ

NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, নিশা ৭:২৭



ডিমৰীয়া: ডিমৰীয়া সমষ্টিৰ সোণাপুৰৰ চিয়ালকাটি পথাৰৰ কৃষক কেশৱ দে'ই বুধবাৰে দাবী কৰিছে যে, কৃষিমন্ত্রী পীযূষ হাজৰিকাক ফেচবুকত অনুৰোধ কৰাৰ ১০ মিনিটৰ ভিতৰতে তেওঁৰ লগত যোগাযোগ কৰি ৮৩টা অইল পামৰ পুলি ঘৰলৈ পঠিয়াই দিয়া হৈছিল।

কেশৱ দে'ই কয়, ১৩ অক্টোবৰত কৃষিমন্ত্রীৰ ফেচবুক পেজত অইল পাম খেতিৰ বিষয়ে এটা প'ষ্ট দেখাৰ পিছত তেওঁ মন্তব্য লিখিছিল। প্রায় ৫ বিঘা মাটিত অইল পাম খেতি কৰিবলৈ কৃষি বিভাগৰ পৰা পুলি বিচাৰিছিল বুলি তেওঁ জনায়।

তেওঁৰ মতে, পুলি পোৱাৰ পিছত ৩০-৩১ অক্টোবৰত প্রায় ৪-৫ বিঘা মাটিত ৮৩টা পুলি ৰোপণ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/743

ৰাজনীতি

'সিদ্ধু মুছেৱালাৰ হত্যাকাৰীৰ মানসিকতা এতিয়াও পঞ্জাবত ঘূৰি ফুৰিছে': ৰাহুল গান্ধী

NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, আবেলি ৪:১০



ছাংগৰুৰ, ৪ নৱেম্বৰঃ পঞ্জাবৰ ছাংগৰুৰত বুধবাৰে অনুষ্ঠিত কংগ্রেছৰ 'ইনছাফ ৰেলী'ত অংশগ্রহণ কৰি লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে প্রয়াত পঞ্জাবী গায়ক সিদ্ধু মুছেৱালাৰ হত্যাকাণ্ডৰ প্রসংগ উত্থাপন কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/709

মতামত

'ঘনকান্তৰ দৰে জুবিনৰ মৃত্যুৰ গোচৰৰ অভিযুক্তসকলকো এনকাউণ্টাৰ কৰক' - অসমীয়া যুৱ মঞ্চৰ আহ্বান

NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, আবেলি ৬:১২



গুৱাহাটী, ৪ নৱেম্বৰ, ২০২৬:

শিৱসাগৰত ঘনকান্ত গগৈৰ আৰক্ষীৰ এনকাউণ্টাৰত মৃত্যুৰ ঘটনাৰ পাছতে জুবিন গার্গৰ মৃত্যুৰ গোচৰক লৈও এক দাবী উত্থাপন কৰিছে অসমীয়া যুৱ মঞ্চই। ঘনকান্ত গগৈৰ লগতে আন অভিযুক্তৰ বিৰুদ্ধে আৰক্ষীয়ে এনকাউণ্টাৰৰ দৰে ব্যৱস্থা গ্রহণ কৰাৰ উদাহৰণ দি জুবিন গার্গৰ মৃত্যুৰ গোচৰত অভিযুক্তসকলকো এনকাউণ্টাৰ কৰাৰ আহ্বান জনাইছে সংগঠনটোৱে।

৪ নৱেম্বৰৰ পুৱতি নিশা শিৱসাগৰ জিলাৰ গৌৰীসাগৰ থানাৰ অন্তর্গত ফুলপানীচিগাত আৰক্ষীৰ গুলীত গুৰুতৰভাৱে আহত হয় ঘনকান্ত গগৈ। আৰক্ষীয়ে জনোৱা মতে, আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ চেষ্টা চলোৱাৰ লগতে আৰক্ষী বিষয়াৰ পিষ্টল কাঢ়ি গুলীচালনা কৰিছিল অভিযুক্তজনে। আত্মৰক্ষাৰ বাবে আৰক্ষীয়ে গুলীচালনা কৰাত আহত হোৱা ঘনকান্তৰ চিকিৎসালয়লৈ নিয়াৰ পথতে মৃত্যু হয়।

এই ঘটনাৰ পাছতে অসমীয়া যুৱ মঞ্চই জুবিন গার্গৰ মৃত্যুৰ গোচৰৰ অভিযুক্তসকলৰ বিৰুদ্ধেও একেধৰণৰ ব্যৱস্থা গ্রহণৰ দাবী জনাইছে। সংগঠনটোৰ আহ্বান, ঘনকান্ত গগৈৰ ক্ষেত্রত আৰক্ষীয়ে যিদৰে এনকাউণ্টাৰৰ ব্যৱস্থা গ্রহণ কৰিলে, সেইদৰে জুবিন গার্গৰ মৃত্যুৰ ঘটনাত অভিযুক্তসকলৰ ক্ষেত্রতো ব্যৱস্থা গ্রহণ কৰা হওক।

জুবিন গার্গক 'অসমবাসীৰ হিয়াৰ আমঠু' - সংগঠনটোৱে কয় যে তেওঁৰ মৃত্যুৰ ঘটনাৰ ন্যায় নিশ্চিত হ'ব লাগিব। জুবিনৰ মৃত্যুৰ ঘটনাত জড়িত বুলি অভিযোগ উত্থাপিত হোৱা লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্রহণৰ দাবী জনাইছে অসমীয়া যুৱ মঞ্চই।

সম্পূর্ণ খবৰ:
https://newznow.in/news/731

দেশ

'৩ কোটি অনুপ্ৰৱেশকাৰী ১২ বছৰে দেশত ঘুৰি ফুৰিছিল, মোদী-শ্বাহে কি ঘাঁহ কাটি আছিল?' - প্ৰশ্ন সঞ্জয় সিঙৰ

NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, আবেলি ৪:৫১



সঞ্জয় সিঙে প্ৰশ্ন কৰে, ১২ বছৰ ধৰি ক্ষমতাত থকাৰ পাছতো যদি চৰকাৰে এই অনুপ্ৰৱেশকাৰীসকলক চিনাক্ত কৰি উলিয়াব পৰা নাই, তেন্তে ইয়াৰ দায়িত্ব কোনে ল'ব? দেশৰ সৈতে ধেমালি কৰাৰ পৰিৱৰ্তে প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে পদত্যাগ কৰা উচিত বুলিও মন্তব্য কৰে আপ সাংসদগৰাকীয়ে।

সঞ্জয় সিঙে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক ৩ কোটি লোকৰ নাম ৰাজহুৱা কৰিবলৈও দাবী জনায়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/713

দেশ

ৰাহুল গান্ধীয়ে দেশত 'পাপ্পু মডেল' গঢ়িব বিচাৰে: কটাক্ষ হিমন্ত বিশ্ব শৰ্মাৰ

NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৯



ৰাহুল গান্ধীয়ে দেশত 'পাপ্পু মডেল' গঢ়িব বিচাৰে, আনহাতে তেওঁলোকে দেশত 'ৰাম মডেল' গঢ়িব বিচাৰে বুলি কটাক্ষ কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই।

ৰাম মন্দিৰ নিৰ্মাণ হৈছে বুলি উল্লেখ কৰি শৰ্মাই প্ৰশ্ন তোলে যে ৰাহুল গান্ধী এতিয়ালৈকে মন্দিৰটোলৈ গৈছেনে নাই।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/700

উত্তৰ-পূৰ্বাঞ্চল

ইটানগৰত ১২ ঘণ্টীয়া বন্ধ: বন্ধ দোকান-পোহাৰ, চৰকাৰী কাৰ্যালয় খোলা

NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪৪



ইটানগৰঃ অৰুণাচল প্ৰদেশৰ ইটানগৰ ৰাজধানী অঞ্চলত People's Rights Action Committee (PRAC)-এ আহ্বান জনোৱা ১২ ঘণ্টীয়া বন্ধৰ মিশ্ৰিত প্ৰভাৱ পৰিল। বুধবাৰে পুৱা ৫ বজাৰ পৰা আৰম্ভ হোৱা বন্ধৰ সময়ছোৱাত দোকান-পোহাৰ আৰু বাণিজ্যিক প্ৰতিষ্ঠানসমূহ বন্ধ থাকে যদিও চৰকাৰী কাৰ্যালয়সমূহৰ কাম-কাজ স্বাভাৱিকভাৱে চলি থাকে।

ৰাজধানী আৰক্ষী অধীক্ষক জুম্মাৰ বাসাৰে জনোৱা মতে, বন্ধৰ সময়ছোৱা সামগ্ৰিকভাৱে শান্তিপূৰ্ণ আছিল। কোনো আইন-শৃংখলাজনিত সমস্যা বা অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱাৰ খবৰ পোৱা হোৱা নাই।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/696

অসম

সৰভোগত ৫১.২৫ লাখ টকাৰ তিনিটা উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ ৰণজিৎ কুমাৰ দাসৰ

Ramij Talukdar | ৪ নৱেম্বৰ ২০২৬, নিশা ৭:১৭



সৰভোগ, ৪ নৱেম্বৰঃ সৰভোগত ৫১ লাখ ২৫ হাজাৰ ১০০ টকা ব্যয়সাপেক্ষে সম্পূৰ্ণ হোৱা তিনিটা উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ কৰে অসম বিধানসভাৰ অধ্যক্ষ তথা ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিধায়ক ৰণজিৎ কুমাৰ দাসে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/740

আন্তঃৰাষ্ট্ৰীয়

আমেৰিকাৰ নিৰ্বাচনত ভাৰতীয় মূলৰ ৰাজনীতিকৰ সাফল্য; পিয়া দাণ্ডিয়া, সুহাস সুব্ৰমনিয়ম আৰু অৰুণা মিলাৰৰ জয়

NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, আবেলি ৪:০২



২০২৬ চনৰ আমেৰিকাৰ মধ্যৱৰ্তী নিৰ্বাচনত ভাৰতীয় মূলৰ কেইবাগৰাকীও ৰাজনীতিকে উল্লেখযোগ্য সফলতা লাভ কৰিছে। পিয়া দাণ্ডিয়া, সুহাস সুব্ৰমনিয়ম আৰু অৰুণা মিলাৰে নিজ নিজ নিৰ্বাচনত জয়লাভ কৰাৰ বিপৰীতে অ'হাইঅ'ৰ গভৰ্ণৰ নিৰ্বাচনত ড'নাল্ড ট্ৰাম্পৰ সমৰ্থনপ্ৰাপ্ত ভাৰতীয় মূলৰ ৰিপাব্লিকান প্ৰাৰ্থী বিবেক ৰামাস্বামী পৰাস্ত হৈছে।

Floridaৰ ২২সংখ্যক Congressional Districtৰ পৰা ডেম'ক্ৰেটিক প্ৰাৰ্থী পিয়া দাণ্ডিয়াই জয়লাভ কৰি US House of Representativesলৈ নিৰ্বাচিত হৈছে। তেওঁ ৰিপাব্লিকান প্ৰাৰ্থী Casey Askarক পৰাস্ত কৰে।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/705

শিক্ষা

এছিয়াৰ ১,৭২২খন বিশ্ববিদ্যালয়ৰ তালিকাত ভাৰতৰ ৩২৫খন প্ৰতিষ্ঠান; IIT গুৱাহাটীৰ স্থান ১২০।

NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১৫



QS Asia University Rankings 2027ৰ তালিকাত ভাৰতৰ উচ্চ শিক্ষানুষ্ঠানসমূহৰ প্ৰদৰ্শনত মিশ্ৰিত ছবি দেখা গৈছে। দেশৰ প্ৰতিনিধিত্ব বৃদ্ধি পোৱাৰ বিপৰীতে শীৰ্ষস্থানত থকা ছখন ভাৰতীয় প্ৰতিষ্ঠানৰ ৰেংকিঙৰ অৱনতি ঘটিছে।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/687

অসম

'সংবিধানৰ শ্ৰাদ্ধ কৰাসকলেই আজি সংবিধান বচোৱাৰ নাটক কৰিছে'-ভৱেশ কলিতা

Mainul Haque | ৪ নৱেম্বৰ ২০২৬, নিশা ৭:২৯



ৰঙিয়া, ৪ নৱেম্বৰঃ 'গণতন্ত্ৰ বচাও, অৰাজকতা হটাও' শীৰ্ষক এক নাগৰিক সম্মিলন ৰঙিয়াৰ ঐতিহ্যমণ্ডিত হৰদত্ত-বীৰদত্ত ভৱনত অনুষ্ঠিত হয়। ৩১ নং ৰঙিয়া বিধানসভা সমষ্টিৰ উদ্যোগত অনুষ্ঠিত এই সম্মিলনত বৃহত্তৰ ৰঙিয়াৰ কেইবাশতাধিক বিশিষ্ট নাগৰিকে অংশগ্ৰহণ কৰে।

দেশৰ সাম্প্ৰতিক ৰাজনৈতিক পৰিস্থিতি, গণতান্ত্ৰিক ব্যৱস্থাৰ সুৰক্ষা আৰু অৰাজকতাৰ বিৰুদ্ধে জনমত গঠনৰ উদ্দেশ্যে এই সম্মিলনৰ আয়োজন কৰা হয়।

সম্মিলনত মুখ্য বক্তা হিচাপে উপস্থিত থাকি ৰঙিয়াৰ বিধায়ক ভৱেশ কলিতাই কংগ্ৰেছ আৰু বাওঁপন্থী দলসমূহক তীব্ৰ সমালোচনা কৰে।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/747

অসম

আমগুৰিত বাইকৰ খুন্দাত নিহত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ নেতা পল্লৱ শইকীয়া

আব্দুৰ ৰহিম | ৪ নৱেম্বৰ ২০২৬, নিশা ৭:২২



আমগুৰি, ৪ নৱেম্বৰঃ শিৱসাগৰ জিলাৰ আমগুৰিত মটৰচাইকেলৰ খুন্দাত নিহত হৈছে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ নেতা পল্লৱ শইকীয়া। তেওঁ সংগঠনটোৰ শিৱসাগৰ জিলা সমিতিৰ যুটীয়া সভাপতিৰ দায়িত্বত আছিল।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/741

মনোৰঞ্জন

অভিনেতা আয়ুষ্মান খুৰানালৈ ধন দাবীৰ ফোন, লৰেন্স বিষ্ণোই গেঙৰ নাম লৈ কোটি টকা দাবীৰ অভিযোগ

NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, নিশা ৭:০৯



মুম্বাই: ১৮ অক্টোবৰত জুহুত অভিনেতা টাইগাৰ শ্ৰফৰ গাড়ীলৈ গুলী চলোৱাৰ ঘটনাত শ্ৰফ অক্ষত থাকিলেও তেওঁৰ চালক আৰু এজন পথচাৰী আহত হৈছিল। সেই ঘটনাৰ পিছতে বলীউডৰ আন অভিনেতাসকলক লক্ষ্য কৰি ধমকী দিয়া আৰু টকা দাবী কৰা ফোন অহাৰ অভিযোগে চিন্তা বঢ়াইছে।

অভিনেতা আয়ুষ্মান খুৰানাই লৰেন্স বিষ্ণোই গেংৰ লগত জড়িত বুলি দাবী কৰা এজনৰ পৰা ফোন পাইছে বুলি অভিযোগ উঠিছে। ফোন কৰা লোকজনে তেওঁৰ পৰা কোটি কোটি টকা দাবী কৰিছিল বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে কলটোৰ কণ্ঠ পৰীক্ষা কৰি নথিভুক্ত কণ্ঠৰ নমুনাৰ সৈতে মিলাই আছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/736

দেশ

Gen Zৰ প্ৰতিবাদৰ আঁৰত ষড়যন্ত্ৰৰ সন্দেহ RSSৰ, অভিযোগ দত্তাত্ৰেয় হোছাবালেৰ

NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, আবেলি ৬:১৪



দেশৰ বিভিন্ন প্ৰান্তত Gen Zৰ প্ৰতিবাদৰ আঁৰত ষড়যন্ত্ৰ থকাৰ সন্দেহ প্ৰকাশ কৰিছে Rashtriya Swayamsevak Sangh (RSS)ৰ সাধাৰণ সম্পাদক দত্তাত্ৰেয় হোছাবালে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/732

মতামত

ঘনকান্ত গগৈৰ এনকাউণ্টাৰক লৈ প্ৰশ্ন, ন্যায়ব্যৱস্থাৰ ভূমিকাক লৈ উদ্বেগ প্ৰকাশ প্ৰাক্তন IPS বিষয়া জ্যোতিৰ্ময় চক্ৰৱৰ্তীৰ

NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:১২



ঘনকান্ত গগৈৰ আৰক্ষীৰ গুলীত মৃত্যুৰ ঘটনাক লৈ প্ৰশ্ন উত্থাপন কৰিছে প্ৰাক্তন IPS বিষয়া জ্যোতিৰ্ময় চক্ৰৱৰ্তীয়ে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত তেওঁ এনকাউণ্টাৰৰ ঘটনাই ন্যায়িক প্ৰক্ৰিয়া আৰু অপৰাধৰ তদন্তৰ ওপৰত পেলাব পৰা প্ৰভাৱক লৈ উদ্বেগ প্ৰকাশ কৰিছে।

চক্ৰৱৰ্তীৰ মতে, ঘনকান্ত গগৈৰ মৃত্যু হোৱাৰ ফলত তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগসমূহৰ বিচাৰ আৰু আইনী নিষ্পত্তিৰ সুযোগ নোহোৱা হ'ল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/671

দেশ

মহাদেৱ বেটিং এপ কাণ্ডঃ ৮ দিনৰ আৰক্ষী জিম্মালৈ সৌৰভ চন্দ্ৰকাৰ

NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, আবেলি ৫:২২



ৰায়পুৰ, ৪ নৱেম্বৰঃ মহাদেৱ Online Betting App গোচৰৰ অন্যতম অভিযুক্ত সৌৰভ চন্দ্ৰকাৰক ৮ দিনৰ CBI জিম্মালৈ প্ৰেৰণ কৰিছে ছত্তীশগড়ৰ ৰায়পুৰৰ এখন বিশেষ আদালতে। বুধবাৰে বিশেষ CBI আদালতত হাজিৰ কৰোৱাৰ পাছত তদন্তকাৰী সংস্থাটোৱে তেওঁক ১০ দিনৰ বাবে জিম্মাত বিচাৰিছিল। কিন্তু আদালতে ৮ দিনৰ জিম্মা মঞ্জুৰ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/714

দেশ

অগ্নিপথ আঁচনিত বৃহৎ পৰিৱর্তন, ৭৫ শতাংশ অগ্নিবীৰে পাব দুবছৰীয়া সেৱা-সম্প্রসাৰণ

NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, আবেলি ৫:৫৯



নতুন দিল্লী, ৪ নৱেম্বৰঃ কেন্দ্রীয় চৰকাৰে অগ্নিপথ আঁচনিত বৃহৎ পৰিৱর্তন সাধন কৰিছে। নতুন ব্যৱস্থা অনুসৰি, চাৰি বছৰৰ সেৱাকাল সম্পূর্ণ কৰাৰ পিছত নিয়মীয়া সশস্ত্র বাহিনীত স্থান লাভ নকৰা ৭৫ শতাংশ অগ্নিবীৰক অতিৰিক্ত দুবছৰৰ বাবে সেৱা আগবঢ়োৱাৰ সুযোগ দিয়া হ'ব। এই অতিৰিক্ত সেৱাকাল সম্পূর্ণ হোৱাৰ পিছত যোগ্যতা আৰু নির্বাচনী চর্ত পূৰণ কৰা অগ্নিবীৰসকলে নিয়মীয়া বাহিনীত স্থায়ী নিযুক্তিৰ বাবে পুনৰ সুযোগ লাভ কৰিব।

২০২২ চনৰ ১৪ জুনত কেন্দ্রীয় চৰকাৰে অগ্নিপথ আঁচনি ঘোষণা কৰিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/727

ক্রীড়া

শচীন তেণ্ডুলকাৰক অতিক্রম কৰি ODIত নতুন বিশ্ব অভিলেখ বিৰাট কোহলীৰ

NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, আবেলি ৫:৪৫



অকলেণ্ড: এদিনীয়া আন্তঃৰাষ্ট্রীয় ক্রিকেটত আন এক ঐতিহাসিক কৃতিত্ব অর্জন কৰিলে ভাৰতীয় তাৰকা বেটাৰ বিৰাট কোহলীয়ে। ODIত লক্ষ্য অনুসৰণ কৰি সর্বাধিক ৰান সংগ্রহ কৰা বেটাৰ হিচাপে কিংবদন্তি শচীন তেণ্ডুলকাৰক অতিক্রম কৰিলে কোহলীয়ে। নিউজিলেণ্ডৰ বিৰুদ্ধে প্রথমখন এদিনীয়াত ৭৪ ৰানৰ ইনিংছ খেলাৰ সময়তে এই অভিলেখ গঢ়ে ভাৰতীয় তাৰকাগৰাকীয়ে।

ইয়াৰ পূর্বে এই অভিলেখ আছিল শচীন তেণ্ডুলকাৰৰ নামত। লক্ষ্য অনুসৰণ কৰি ODIত তেণ্ডুলকাৰে সংগ্রহ কৰিছিল ৮,৭২০ ৰান। কোহলীয়ে সেই সীমা অতিক্রম কৰি এই বিশেষ পৰিসংখ্যাত শীর্ষস্থান দখল কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/722

উত্তৰ-পূর্বাঞ্চল

আগৰতলাৰ মেয়ৰ দীপক মজুমদাৰক প্রার্থিত্ব নিদিলে BJP-য়ে, ৪৫গৰাকী প্রার্থীৰ নাম ঘোষণা

NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২৭



৪ নৱেম্বৰঃ ত্রিপুৰাৰ পৌৰ নির্বাচনক কেন্দ্র কৰি ৪৫গৰাকী প্রার্থীৰ নাম ঘোষণা কৰিছে BJP-য়ে। কিন্তু আগৰতলা পৌৰ নিগমৰ (AMC) বর্তমানৰ মেয়ৰ তথা ৰামনগৰ বিধানসভা সমষ্টিৰ বিধায়ক দীপক মজুমদাৰক প্রার্থিত্ব নিদিলে দলটোৱে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/672

ক্রীড়া

বিৰাট কোহলীৰ ৭৪ ৰানৰ দুর্দান্ত ইনিংছ; অশ্বদীপ সিঙৰ ৪টা উইকেট, শৃংখলাত ১-০ ব্যৱধানত আগবাঢ়িল ভাৰত

NewzNow ডেস্ক | ৪ নৱেম্বৰ ২০২৬, আবেলি ৫:২৯



অকলেণ্ড, ৪ নৱেম্বৰঃ নিউজিলেণ্ডৰ বিৰুদ্ধে বৰষুণে বিঘ্নিত কৰা প্রথমখন এদিনীয়া আন্তঃৰাষ্ট্রীয় ক্রিকেট মেচত ৫ উইকেটত জয়লাভ কৰিছে ভাৰতে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/718